উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

বিষয়ঃ ঐচ্ছিক অসমীয়া

পাঠঃ কপিলীপৰীয়া সাধু

কুৰি শতিকাৰ দ্বিতীয়াৰ্ধৰ প্ৰথম বৰ্ষটোতে 'হে অৰণ্য হে মহানগৰ' কবিতাপুথিৰে প্ৰকৃতাৰ্থত আধুনিক অসমীয়া কবিতাৰ দুৱাৰ মুকলি কৰোঁতা নৱকান্ত বৰুৱাৰ জন্ম হয় ১৯২৬ চনৰ ২৯ ডিচেম্বৰত। এইজনা মহান ব্যক্তি একেধাৰে কবি, ঔপন্যাসিক, গীতিকাৰ, শিশু সাহিত্যিক, সাহিত্য সমালোচক, অনুবাদক আৰু আলোচনীৰ সম্পাদক আছিল।

নৱকান্ত বৰুৱাই ৰচনা কৰা প্ৰথমখন উপন্যাস হৈছে 'কপিলীপৰীয়া সাধু' (১৯৫২)। তেওঁৰ অন্যান্য উপন্যাসসমূহ হৈছে-

*ককাদেউতাৰ হাড় (১৯৭৩)*

*গড়মা কুঁৱৰী (১৯৮০)*

*মানুহ আটাইবোৰ দ্বীপ (১৯৮০)*

*অপদাৰ্থ (১৯৮১)*

*পটাচাৰা (১৯৯০)*

*অহিংসাৰ জুই (অসমাপ্ত)*

তেওঁ 'ককাদেউতাৰ হাড়' উপন্যাসখনৰ বাবে ১৯৭৫ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল।

'কপিলীপৰীয়া সাধু' উপন্যাসখন এখন আঞ্চলিক উপন্যাস। সাধাৰণতে আঞ্চলিক উপন্যাস বুলিলে একোটি বিশেষ অঞ্চলক কেন্দ্ৰ কৰি লৈ ৰচনা কৰা উপন্যাসকে বুজা যায়। অঞ্চল বুলি ক'লে ভৌগোলিক সীমাবিশিষ্ট ভূখণ্ডকে বুজা যায় যদিও, সেই নিৰ্দিষ্ট অঞ্চলত বসবাস কৰা মানুহমুঠিৰ আশা-আকাংক্ষা, ৰীতি-নীতি, বিশ্বাস, শৈক্ষিক তথা বৌদ্ধিক পৰিমণ্ডল, লোক-কথা, লোক-উৎসৱ, গীত-মাত, দৈনন্দিন জীৱনৰ সংগ্ৰাম, অৰ্থনৈতিক অথবা ৰাজনৈতিক স্থিতি আদি বৈশিষ্ট্যসমূহকো সামৰি লোৱা দেখা যায়। ড০ সত্যেন্দ্ৰনাথ শৰ্মাদেৱৰ ভাষাৰে ক'বলৈ হ'লে " কোনো এটা সীমিত অঞ্চলক পটভূমিৰূপে কাহিনী তৰিলেই সি আঞ্চলিক উপন্যাস হ'ব নোৱাৰে। একোটা পৰিসীমিত খণ্ড বা অঞ্চলৰ জীৱন পদ্ধতি, কথা-বাৰ্তাৰ স্বকীয় ৰীতি, স্থানৰ কালিকা, ৰীতি-নীতি, বিশ্বাস, অন্ধ সংস্কাৰ, ভাষাৰ আঞ্চলিক বৈশিষ্ট্য যি উপন্যাসত ফুটি উঠে সেয়ে প্ৰকৃত অৰ্থত আঞ্চলিক উপন্যাস।"

কপিলী নদীখন উপন্যাসখনৰ অন্যতম বিষয়বস্তু। কপিলীপাৰৰ ব্যক্তিসকলৰ জীৱন-যাত্ৰাক কেন্দ্ৰ কৰি উপন্যাসখন ৰচনা কৰা হৈছে। মানবীয় প্ৰেম, প্ৰকৃতি প্ৰেম, জীৱনৰ সংগ্ৰাম আৰু সংঘাত, লগতে ভাগ্য আৰু বাস্তৱতাই জীৱনলৈ নমাই অনা পৰিণতি বৰ্ণিত কৰা হৈছে উপন্যাসখনত। ৰূপাই আৰু সোণপাহীৰ কাল্পনিক প্ৰণয় কাহিনীৰ সমান্তৰালকৈ আছে কপিলীপৰীয়া মানুহৰ ইতিহাস, স্বৰাজ আন্দোলনৰ ছবি,

**কপিলীপৰীয়া জনসাধাৰণে বানপানীৰ লগত কৰা সংগ্ৰামৰ কাহিনী। কল্পনা- বাস্তৱতাৰ ছাঁ-পোহৰত উপন্যাসখনে এক বিশেষ মাত্ৰা লাভ কৰিছে।**


*প্ৰস্তুত কৰ্তা*

*ড০ বিভা ৰাণী দাস*

*সহকাৰী অধ্যাপিকা*

*অসমীয়া বিভাগ*

*ঢকুৱাখনা মহাবিদ্যালয়।*